**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 31-OCT-2025
**Time :** 1910 Hrs

***Assamese Evening Bulletin***
***Headlines***
---------------------

১। লালা লাজপত ৰায়ৰ দৰে স্বাধীনতা সংগ্ৰামীসকলে আৰ্য সমাজৰ দ্বাৰা অনুপ্ৰাণিত হৈ দেশৰ স্বাধীনতা সংগ্ৰামত নিজকে ব্ৰতী কৰিছিল বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে।

২। দেশজুৰি আজি চৰ্দাৰ বল্লভ ভাই পেটেলৰ ডেৰশ বছৰীয়া জয়ন্তী উদযাপন কৰা হয়।

৩। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কাইলৈ আছিয়ান আৰু সহযোগী ৰাষ্ট্ৰসমূহৰ প্ৰতিৰক্ষা মন্ত্ৰীসকলৰ বৈঠকত অংশগ্ৰহণ কৰিব।

৪। কেন্দ্ৰীয় স্বাস্থ্য সচিব পূণ্য শলিলা শ্ৰীবাস্তৱে আজি নতুন দিল্লীত আয়োজিত নৰৱে-ভাৰত সহযোগিতা উদ্যম এন আই পি আইৰ বাৰ্ষিক বৈঠকত অধ্যক্ষতা কৰে।

**আৰু**

৫। ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ দ্বিতীয়খন টি-২০ প্ৰতিযোগিতাত ভাৰত চাৰি উইকেটত পৰাজিত হৈছে।

০০০০০

লালা লাজপত ৰায়ৰ দৰে স্বাধীনতা সংগ্ৰামীসকলে আৰ্য সমাজৰ দ্বাৰা অনুপ্ৰাণিত হৈ দেশৰ স্বাধীনতা সংগ্ৰামত নিজকে গতি কৰিছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ ৰোহিনীত আয়োজিত আন্তঃৰাষ্ট্ৰীয় আৰ্য শীৰ্ষ সন্মিলন-২০২৫ত অংশগ্ৰহণ কৰি এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে বহু বছৰলৈ আৰ্য সমাজে তেওঁলোকৰ প্ৰাপ্য লাভ নকৰাটো অত্যন্ত দুৰ্ভাগ্যজনক। আৰ্য সমাজ হৈছে ভাৰতীয় মূলৰ বিষয়ে সাহসিকতাৰে কথা ক'ব পৰা এটা অগ্ৰণী সংস্থা। আজিৰ অনুষ্ঠানত শ্ৰীমোদীয়ে স্বামী দয়ানন্দ সৰস্বতীৰ প্ৰতি শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে।

আজিৰ এই সন্মিলনত দেশ-বিদেশৰ আৰ্য সমাজৰ গোটসমূহৰ প্ৰতিনিধিবৰ্গই অংশগ্ৰহণ কৰে। সন্মিলনৰ লগত সংগতি ৰাখি **সেৱাৰ স্বৰ্ণিল ডেৰশ বছৰ** শীৰ্ষক এখন প্ৰদৰ্শনী অনুষ্ঠিত হয়। এই প্ৰদৰ্শনীত শিক্ষা, সামাজিক সংস্কাৰ আৰু আধ্যাত্মিক উত্থানৰ ক্ষেত্ৰত আৰ্য সমাজৰ অৱদানৰ মাধ্যমেৰে সংস্থাটোৰ পৰিৱৰ্তনকাৰী যাত্ৰাৰ বিষয়ে আলোকপাত কৰা হয়।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চৰ্দাৰ বল্লভ ভাই পেটেলৰ ডেৰশ বছৰীয়া জয়ন্তী উপলক্ষে ৰাষ্ট্ৰীয় একতা দিৱসত আজি গুজৰাটৰ একতা নগৰৰ পৰা দেশক নেতৃত্ব দিয়ে। শ্ৰীমোদীয়ে একতাৰ প্ৰতিমূৰ্তিত পুষ্পাঞ্জলি অৰ্পণেৰে দিনটোৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অনুষ্ঠানত একতা দিৱসৰ শপত বাক্য পাঠ কৰোৱায়। এই বছৰৰ ৰাষ্ট্ৰীয় একতা দিৱসত দেশৰ সুৰক্ষা বাহিনীসমূহৰ শক্তি, নিয়মানুৱৰ্তিতা আৰু বীৰত্বক প্ৰতিফলিত কৰা আকৰ্ষণীয় কুচকাৱাজ প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰত্যক্ষ কৰে। কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী, সীমান্ত সুৰক্ষা বাহিনী, কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিনী, ভাৰত-তিববত সীমান্ত আৰক্ষী,

সশস্ত্র সীমা বল আৰু অসম, ত্ৰিপুৰা, ওড়িশা, ছত্তিশগড়, মধ্যপ্ৰদেশ, মহাৰাষ্ট্ৰ, পঞ্জাৱ, জম্মু-কাশ্মীৰ, কেৰেলা আৰু অন্ধ্ৰপ্ৰদেশৰ ৰাজ্যিক আৰক্ষী বাহিনীসমূহে কুচকাৱাজত অংশগ্ৰহণ কৰে। এইবাৰৰ কুছকাৱাজত সীমান্ত সুৰক্ষা বাহিনী বিশেষকৈ ভাৰতীয় জাতৰ কুকুৰ ৰামপুৰ আৰু মুধল হাউণ্ডছে আত্মনিৰ্ভৰ ভাৰতক প্ৰতিফলিত কৰে। অনৈক্যৰ মাজত ঐক্য বিষয়বস্তুৰে ৰাষ্ট্ৰীয় সুৰক্ষা গাৰ্ড আৰু ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীৰ লগতে ১০ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ প্ৰতীকপট প্ৰদৰ্শন কৰে।

কেন্দ্ৰীয় সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে একতা দিৱস উপলক্ষে দেশৰ একতাৰ হকে চৰ্দাৰ বল্লভ ভাই পেটেলৰ অৱদানক শ্ৰদ্ধাৰে সোঁৱৰে। দিৱস উপলক্ষে লোৱা একতা দিৱসৰ সংকল্প লৈ মন্ত্ৰীগৰাকীয়ে কয় যে চৰ্দাৰ পেটেল ৰাষ্ট্ৰীয় একতাৰ প্ৰতিমূৰ্তি আছিল। এই উপলক্ষে শ্ৰীৰিজিজুৱে দেশৰ স্বাধীনতা সংগ্ৰামীসকলৰ অৱদানৰ প্ৰতি গৰ্ব অনুভৱ কৰিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নাগৰিকসকলক একত্ৰিত হৈ দেশৰ প্ৰগতিৰ বাবে নিজকে উৎসৰ্গা কৰি বিকশিত ভাৰতৰ সপোন পূৰণৰ বাবে আহ্বান জনায়। চৰ্দাৰ বল্লভভাই পেটেলৰ ডেৰশ বছৰীয়া জয়ন্তী উপলক্ষে গুজৰাটৰ একতা নগৰত ৰাষ্ট্ৰীয় একতা দিৱস উপলক্ষে অনুষ্ঠিত বিশাল সমাৰেশত ভাষণ দি প্ৰধানমন্ত্ৰীয়ে কয়, যে ২০১৪ চনৰ পৰাই নক্সালবাদ আৰু মাওবাদী কাৰ্যকলাপ নিৰ্মূলৰ বাবে চৰকাৰ দৃঢ় প্ৰতিজ্ঞ হৈ আছে। ২০১৪ চনৰ আগতে সমগ্ৰ দেশৰ প্ৰায় এশখন জিলা মাওবাদী কাৰ্যকলাপৰ দ্বাৰা প্ৰভাৱিত হৈছিল যদিও আজি সেই সংখ্যা মাত্ৰ এঘাৰখনলৈ হ্ৰাস পাইছে। তেওঁ কয় যে স্বাধীনতাৰ পাছত চৰ্দাৰ পেটেলে ‘এক ভাৰত, শ্ৰেষ্ঠ ভাৰত’ৰ দৃষ্টিভংগীক মূৰ্ত কৰি ৫৫০খনতকৈও অধিক দেশীয় ৰাজ্যক একত্ৰিত কৰি অসম্ভৱ যেন লগা কামটো সম্ভৱ কৰি তুলিছিল।

ভাৰতৰ চহকী আধ্যাত্মিক আৰু সাংস্কৃতিক ঐতিহ্য সন্দৰ্ভত আলোকপাত কৰি শ্ৰী মোদীয়ে কয় যে দ্বাদশ জ্যোতিৰ্লিংগ, শক্তিপীঠ, আৰু চাৰ ধামসমূহে জাতিৰ জীৱনী শক্তিক মূৰ্ত কৰি তুলিছে তথা দেশৰ জনসাধাৰণক বিশ্বাসেৰে বান্ধি ৰাখিছে। তেওঁ দেশৰ ভাষিক বিচিত্ৰতাক প্ৰশংসা কৰি কয়,যে এই বিচিত্ৰতাই হৈছে দেশৰ অন্যতম শ্ৰেষ্ঠ শক্তি। প্ৰধানমন্ত্ৰীগৰাকীয়ে পক্ষপাতিত্বহীন উন্নয়ন আৰু দৰিদ্ৰতা নিৰাময়ৰ ক্ষেত্ৰত চৰকাৰৰ সফলতা সন্দৰ্ভত আলোকপাত কৰি বিগত দশকত প্ৰায় ২৫ কোটি লোকক দৰিদ্ৰতাৰ কবলৰ পৰা মুক্ত কৰাৰ ক্ষেত্ৰত চৰকাৰ সক্ষম হৈছে বুলি উল্লেখ কৰে। শ্ৰীমোডীয়ে প্ৰতিজন নাগৰিকক একতাক ৰাষ্ট্ৰীয় শক্তিৰ মন্ত্ৰ হিচাপে গঢ়ি তুলিবলৈ আৰু চৰ্দাৰ পেটেলৰ দৃষ্টিভংগীক স্মৰণ কৰি এখন শক্তিশালী,উন্নত আৰু ঐক্যবদ্ধ ভাৰত গঢ়াৰ দিশে একেলগে কাম কৰিবলৈ আহ্বান জনায়।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিভিন্ন ক্ষেত্ৰত আৰোপিত সামগ্ৰী আৰু সেৱা কৰ জি এছ টিৰ হাৰ কৰ্তন কৰি যোৱা ২২ ছেপ্তেম্বৰত আৰম্ভ কৰা জি এছ টি সঞ্চয় উৎসৱৰ পৰা সমগ্ৰ দেশৰ জনসাধাৰণ উপকৃত

হৈছে। পৰৱৰ্তী প্ৰজন্মৰ জি এছ্ টি সংস্কাৰৰ অধীনত স্বাস্থ্য খণ্ডত প্ৰযোজ্য কৰ যথেষ্ট হ্ৰাস কৰিছে। স্বাস্থ্য আৰু জীৱন বীমাৰ কিস্তিৰ ওপৰত আৰোপিত জি এছ্ টি সম্পূৰ্ণৰূপে প্ৰত্যাহাৰ কৰা হৈছে। জীৱন বীমা কিস্তিৰ ক্ষেত্ৰত পূৰ্বতে ১৮ শতাংশ জি এছ্ টি আৰোপ কৰা হৈছিল। এই পদক্ষেপে জনসাধাৰণক স্বাস্থ্য বীমাৰ সুবিধা গ্ৰহণ কৰিবলৈ উৎসাহিত কৰিব আৰু ইয়াৰ ফলত জনসাধাৰণৰ বিশেষকৈ মধ্যবিত্ত শ্ৰেণীৰ পৰিয়ালৰ চিকিৎসা ব্যয় হ্ৰাস পাব। চৰকাৰে লগতে কৰ্কট ৰোগৰ চিকিৎসা আৰু পুৰণি ৰোগৰ চিকিৎসাত ব্যৱহৃত ৩৩বিধ জীৱনৰক্ষী ঔষধৰ ওপৰত জি এছ্ টিৰ আওতাৰ বাহিৰত ৰখাৰ সিদ্ধান্ত লৈছে। নতুন কৰ পৰিকাঠামোৰ আধীনত বিভিন্ন ঔষধ আৰু বেণ্ডেজ, ৰোগ চিনাক্তকৰণ আহিলা, গ্লুকোমিটাৰ আৰু থাৰ্মোমিটাৰৰ দৰে চিকিৎসা আহিলাৰ ওপৰত আৰোপিত কৰ ৫ শতাংশলৈ হ্ৰাস কৰা হৈছে।

০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং দুদিনীয়া মালয়েছিয়া ভ্ৰমণসূচীৰে কালি কোৱালালামপুৰত উপস্থিত হয়। শ্ৰীসিঙে কাইলৈ আছিয়ান আৰু সহযোগী ৰাষ্ট্ৰসমূহৰ প্ৰতিৰক্ষা মন্ত্ৰীসকলৰ দ্বাদশ বৈঠক এ ডি এম এম প্লাছত অংশগ্ৰহণ কৰিব। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীসিঙে কয় যে তেওঁ আজি আমেৰিকাৰ প্ৰতিৰক্ষা মন্ত্ৰী পিটে হেগছেথৰ সৈতে বৈঠক মিলিত হয়। বৈঠকত দুয়ো পক্ষই প্ৰতিৰক্ষা ক্ষেত্ৰত থকা সহযোগিতা অধিক শক্তিশালী কৰিবলৈ দৃঢ়প্ৰতিজ্ঞ হয়। শ্ৰীসিঙে কয় যে ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলক মুক্ত আৰু শৃংখলিত কৰি গঢ়ি তুলিবলৈ এই অংশীদাৰিত্ব অতি গুৰুত্বপূৰ্ণ। দুয়োখন দেশৰ ক্ৰমবৰ্দ্ধমান কৌশলগত বিনিয়োগ আৰু শক্তিশালী পৰিকাঠামো গঢ়ি তোলাৰ বাবে দুয়োখন দেশৰ সহযোগিতাই এটা নতুন দশকৰ আগজাননী দিব বুলিও ভাৰতৰ প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে লগতে উল্লেখ কৰে।

০০০০০০

কেন্দ্ৰীয় স্বাস্থ্য সচিব পূণ্য শলিলা শ্ৰীবাস্তৱে আজি নতুন দিল্লীত আয়োজিত নৰৱে-ভাৰত সহযোগিতা উদ্যম এন আই পি আইৰ বাৰ্ষিক বৈঠকত অধ্যক্ষতা কৰে। ভাৰতত থকা নৰৱেৰ ৰাষ্ট্ৰদূত মেই-এলিন-ষ্টেনাৰে এই বৈঠকত সহঅধ্যক্ষতা কৰে। চলিত বৰ্ষৰ এন আই পি আইৰ অগ্ৰগতিৰ প্ৰতিবেদনৰ পৰ্যালোচনা আৰু অনুমোদনৰ লগতে এই উদ্যমৰ চতুৰ্থ পৰ্যায়ৰ অধীনত অহা বছৰৰ নিৰ্ধাৰিত কাৰ্যপৰিকল্পনাৰ বাজেটৰ বিষয়ে আলোচনা কৰাৰ উদ্দেশ্যে এই বৈঠক অনুষ্ঠিত হয়। এই উপলক্ষে দিয়া ভাষণত শ্ৰীমতী শ্ৰীবাস্তৱে দেশ দুখনৰ মাজৰ সহযোগিতা অব্যাহত ৰখাৰ ক্ষেত্ৰত স্বাস্থ্য মন্ত্ৰালয়ৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শিৱসেনাৰ উদ্ধৱ থাকৰে গোটৰ জ্যেষ্ঠ নেতা সঞ্জয় ৰাউটৰ আশু আৰোগ্য কামনা কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীৰাৱাটে জটিল স্বাস্থ্যজনিত সমস্যাত ভূগি থকাৰ কথা প্ৰকাশ কৰি পৰৱৰ্তী কিছু মাহৰ বাবে জনসাধাৰণৰ পৰা আঁতৰি থকাৰ কথা প্ৰকাশ কৰিছিল।

০০০০০০

প্ৰশাসনীয় সংস্কাৰ আৰু ৰাজহুৱা ওজৰ-আপত্তি নিষ্পত্তি বিভাগৰ ৰাষ্ট্ৰীয় সুশাসন ৱেবিনাৰ শৃংখলাৰ ৩২ সংখ্যক ৱেবিনাৰ আজি ভাৰ্চুৱেল ব্যৱস্থাৰে অনুষ্ঠিত হয়। কৰ্মচাৰী, ৰাজহুৱা ওজৰ-আপত্তি নিষ্পত্তি আৰু পেন্সন মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে ৰাজহুৱা প্ৰশাসনত উৎকৰ্ষতাৰ বাবে প্ৰধানমন্ত্ৰীৰ বঁটাৰ অধীনত বঁটা

বিজয়ী মনোনয়ন প্ৰচাৰ প্ৰসাৰৰ বাবে এই ৱেবিনাৰৰ আয়োজন কৰা হয়। এই বছৰৰ ৱেবিনাৰৰ সময়ত ৰাম খণ্ড আৰু গংগা নগৰ খণ্ডক বঁটা প্ৰদানৰ লগতে দুটা নতুন উদ্যম গ্ৰহণ কৰা হয়।

oooooo

ভাৰতে ব্ৰিটেইনৰ অৰ্থব্যৱস্থাৰ পৰা বিপুল পৰিমাণৰ উঠাই লোৱা বুলি সামাজিক মাধ্যমত প্ৰচাৰিত হোৱা এটা ভিডিঅ' চৰকাৰে খণ্ডন কৰিছে। প্ৰেছ ইনফৰমেশ্যন ব্যুৰোৰ ফেক্ট চেক ইউনিটে এই দাবী ভুৱা বুলি অভিহিত কৰি চৰকাৰে তেনে কোনো সিদ্ধান্ত লোৱা নাই প্ৰকাশ কৰে। নাগৰিকসকলক +৯১ ৮৭৯৯৭১১২৫৯ নম্বৰত ফোন কৰি বা factcheck@pib.gov.in ইমেইলযোগে এনেধৰণৰ ভুৱা বাতৰিৰ বিষয়ে অৱগত কৰিবলৈও আহ্বান জনাইছে।

oooooo

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ দ্বিতীয়খন টি-২০ প্ৰতিযোগিতাত ভাৰত চাৰি উইকেটত পৰাজিত হৈছে। আজি মেলবৰ্ণত অনুষ্ঠিত খেলখনত ভাৰতে প্ৰথমে বেট ধৰি ১৮ অভাৰ চাৰিটা বলত আটাইকেইটা উইকেট হেৰুৱাই কেৱল ১২৫ ৰানহে সংগ্ৰহ কৰে। ভাৰতৰ হৈ অভিষেক শৰ্মাই সৰ্বাধিক ৬৮ আৰু হৰ্ষিত ৰাণাই ৩৫ ৰানৰ বৰঙণি আগবঢ়ায়। প্ৰত্যুত্তৰত অষ্ট্ৰেলিয়াই ১৩ অভাৰ আৰু দুটা বলতে ৬ উইকেটৰ বিনিময়ত ১২৬ ৰান সংগ্ৰহ কৰি বিজয়  সাব্যস্ত কৰে। ৫ খনীয়া টি-২০ শৃংখলাত অষ্ট্ৰেলিয়াই ১-০ৰ অগ্ৰগতি লাভ কৰি আছে।

oooooo

সমাপ্ত